
পাঠ ১

L5B3C4

# আমাৰ গাঁও



শুৱনি আমাৰ ভৰা গাঁওখনি
শুৱনি আমাৰ ঘৰ,
পদূলিমুখত গধূলিগোপাল
ফুলি থাকে মনোহৰ।
শুৱনি আমাৰ ভৰা বাৰীখনি
শুৱনি তামোল-পাণ,
শুৱনি আমাৰ সোণালী পথাৰ
ভৰি পৰে পকা ধান।
শুৱনি আমাৰ গাঁৱৰ পুখুৰী
ৰাজহাঁহ চৰে তাত,
শুৱনি আমাৰ ঔগছ জুপি
মৌৱে বাহ লয় গাত।
শুৱনি আমাৰ গাঁৱৰ চৰাই
শুৱনি গছৰ ফুল,
শুৱনি আমাৰ ৰচকী পখিলা
বাটৰুৱা যায় ভোল।



শুৱনি আমাৰ গৰু-গাইবোৰ
শুৱনি নদীৰ ঘাট,
শুৱনি আমাৰ সৰু নামঘৰ
বকুলৰ তলেদি বাট।
শুৱনি আমাৰ যত ভাই-ভনী
ৰহিম, মহিম, দুল,
পদুমী, কদমী মেলিনা, ছখিনা
একেটি থুপিৰে ফুল।
শুৱনি আমাৰ যত গঞালোক
সুৱদি মুখৰ মাত,
এখনি গাঁৱতে সৱে মিলিজুলি
পাতে মৰমৰ হাট।

*কবি ঃ অতুলচন্দ্ৰ হাজৰিকা*

*(সংগ্ৰহ ঃ সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা, শিশু-সাহিত্য সম্ভাৰ ২য় খণ্ড, ৰুণুক-জুনুক, প্ৰথম প্ৰকাশ, ২০০৭ চন, ৭৫৭ পৃষ্ঠা সম্পাদনা- সূৰ্য্য হাজৰিকা )*

## ক — পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**




**পদ্যটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আৰু আবৃত্তি কৰোঁ আহা**



**কওঁ আহা**

(ক) পদূলিমুখত কি ফুল ফুলে? (খ) গাঁৱৰ পুখুৰীত কি হাঁহ চৰে?

(গ) পথাৰখন দেখিবলৈ কেনেকুৱা? (ঘ) গাঁৱৰ ৰাইজে মিলিজুলি কি কৰে?

(ঙ) কি কি শুৱনি বস্তুৰে গাঁওখন ভৰি আছে?

(চ) পদ্যটিত একেটি থুপিৰে ফুল বুলি কাক কোৱা হৈছে?




**'আমাৰ গাঁও' পদ্যটিৰ প্ৰথম আঠশাৰীৰ কথাখিনি নিজৰ কথাৰে কোৱা।**



**পদ্যটি পঢ়ি বুজি নোপোৱা শব্দবোৰ চিনাক্ত কৰা। সেইবোৰৰ অৰ্থ দলত আলোচনা কৰি লিখা।**



**লিখা।**

(ক) পদ্যটোত থকা মানুহৰ নাম

(খ) পদ্যটোত থকা শুৱনি বস্তুবোৰৰ নাম

(গ) পদ্যটোত বিচাৰি উলিয়াই লিখা।

| 'ৰ' আখৰটো প্ৰথমতে থকা শব্দ | 'ৰ' আখৰটো মাজত থকা শব্দ | 'ৰ' আখৰটো শেষত থকা শব্দ |
|---|---|---|
| | | |


☛ *পদ্যটি দলগতভাৱে গোৱাৰ পিছত প্ৰত্যেককে এজন এজনকৈ গাবলৈ দিব। সম্পূৰ্ণকৈ গাব নোৱাৰালৈকে প্ৰত্যেককে বাৰে বাৰে গোৱাব।*

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

তলৰ - কাৰ (স্বৰ) চিহ্নযুক্ত বৰ্ণকেইটাৰ ৰূপ সলনি কৰি দুটাকৈ শব্দ গঠন কৰা।

যেনে—



| | | | | | | |
|---|---|---|---|---|---|---|
| শু | => | শু | => | শিশু | | শুৱনি |
| ৰু | => | ৰু | => | | | সৰু |
| ৰূ | => | | => | | | |
| হু | => | | => | | | |
| গু | => | | => | | | |

তলত দিয়া প্ৰতিটো শব্দৰে দুটাকৈ বাক্য সাজোঁ আহা



উদাহৰণ ঃ শুৱনি

আমাৰ গাঁওখন অতি শুৱনি।

হৰিণাৰ চকুযুৰি শুৱনি।

মনোহৰ ..........................................................

..........................................................

ৰচকী ..........................................................

..........................................................

মিলিজুলি ..........................................................

..........................................................

তলত আঁচ টনা শব্দৰ বিপৰীত অৰ্থ বুজোৱা শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা

- সৰু নামঘৰ ____বৰ____ নামঘৰ
- ভৰা বাৰীখনি ________ বাৰীখনি
- পকা ধান ________ ধান
- তলেদি বাট ________ বাট

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

## গ — জ্ঞান সম্প্ৰসাৰণ

পদ্যটোত নথকা কিন্তু তোমাৰ অঞ্চলত থকা শুৱনি বস্তুবোৰৰ বিষয়ে কোৱা।

বিভিন্ন পুথিৰ পৰা পদ্য সংগ্ৰহ কৰি পঢ়া।

*(বিদ্যালয়ত শিক্ষকে আৰু ঘৰত অভিভাৱকে সহায় কৰিব)*

'আমাৰ গাঁও' পদ্যটিৰ সহায় লৈ নিজাকৈ আন এটি পদ্য লিখা।

ছবিখন চাই দলত আলোচনা কৰা। ছবিখনত কি কি দেখা পালা সেই বিষয়ে প্ৰত্যেকেই চাৰিটাকৈ বাক্য লিখা।



## ঘ — প্ৰকল্প

(ক) বিভিন্ন ধৰ্মৰ উপাসনা-গৃহৰ ছবি সংগ্ৰহ কৰি সঠিক ঠাইত ছবিবোৰ আঠা লগোৱা।

মন্দিৰ　　　　মছজিদ　　　　গীৰ্জা

গুৰুদ্বাৰ বৌদ্ধ মঠ নামঘৰ


(খ) প্ৰত্যেকেই উপাসনা গৃহৰ বিষয়ে কোৱা।

(গ) গধূলিগোপাল সন্ধিয়া ফুলে। ৰাতি ফুলা ফুলৰ এখন তালিকা কৰা।


(ঘ) তুমি দেখা চৰাইবোৰ নিৰীক্ষণ কৰা। তলৰ চৰাই দুবিধৰ বিষয়ে দুটাকৈ বাক্য লিখা।

(১) ঘনচিৰিকা (২) শালিকা

(ঙ) বাৰীত তামোল-পাণৰ বাহিৰে আৰু কি কি ফল-মূলৰ গছ থাকে ? সেইবোৰৰ নাম লিখি তাৰ কাষত ফলবোৰৰ ছবি আঁকা।



যেনে— আম গছ



☞ আলোচনা কৰি উপাসনা গৃহৰ ধাৰণা স্পষ্ট কৰাব। (ঘ) আৰু (ঙ)ৰ কাৰ্য বহী বা ফলিত কৰাব ।

☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

লগে-ভাগে গাওঁ আহা

## গাঁৱলীয়া সেৱকৰ গীত



অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাওঁ।
অ' আমাৰ গাঁও।।
সেউজীয়া পথাৰৰে
ভৰপূৰ তামোলৰে
দূৰৈতে জিলিকি থকা
অ' আমাৰ গাঁও।
দেশৰ হকে মৰিব পৰা
আমাৰ গাঁৱৰ ডেকা ল'ৰা
ডেকেৰীও নহয় পাছ পৰা
অ' আমাৰ গাঁও।
ৰাইজ মৰিলে মৰিম আমি
ৰাইজ তৰিলে তৰিম
দেশৰ হকে সৰ্ব্বত্যাগী
আগবাঢ়ি যাওঁ
অ' আমাৰ গাঁও ।।

*(সংগ্ৰহ—জ্যোতিপ্ৰসাদ ৰচনাৱলী, সম্পাদনা ঃ ড° হীৰেন গোহাঁই, পৃষ্ঠা- ৭৯৯)*